# India-Uzbekistan Foreign Office Consultations

November 20, 2020

---

# ভাৰত–উজবেকিস্তান বৈদেশিক কাৰ্য্যালয় পৰামৰ্শসমূহ

নৱেম্বৰ 20, 2020

20 নৱেম্বৰ 2020 তাৰিখে ভাৰত আৰু উজবেকিস্তানৰ মাজত 14তম চক্ৰৰ বৈদেশিক দপ্তৰ পৰামৰ্শ ভাৰ্চুৱেলভাৱে অনুষ্ঠিত হয়। ভাৰতৰ হৈ প্ৰতিনিধিত্ব কৰে সচিব (পশ্চিম) শ্ৰী বিকাশ স্বৰূপে। আনহাতে উজবেকৰ হৈ প্ৰতিনিধিত্ব কৰে উজবেকিস্তান গণৰাজ্যৰ বৈদেশিক পৰিক্ৰমাৰ প্ৰথম উপ সচিব মহামান্য শ্ৰী ফাৰহুদ আৰজেভে।

পৰামৰ্শৰ সময়ছোৱাত, দুয়োপক্ষই ৰাজনৈতিক, অৰ্থনৈতিক, প্ৰতিৰক্ষা, উন্নয়ন অংশীদাৰিত্ব, সক্ষমতা বৃদ্ধি, দূতাৱাস সংক্ৰান্তীয় বিষয়সমূহ আৰু সাংস্কৃতিক সহযোগিতা সহ বিভিন্ন ক্ষেত্ৰত সহযোগিতাক লৈ পৰ্যালোচনা কৰে। উজবেকিস্তানত ইণ্ডিয়ান লাইন অফ ক্ৰেডিটৰ অধীনস্থ প্ৰকল্পসমূহৰ যথাসময়ত কাৰ্যকৰীকৰণৰ ওপৰত বিশেষ জোৰ দিয়ে।

উভয়পক্ষই পাৰস্পৰিক স্বাৰ্থৰ আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহৰ ওপৰত মত বিনিময় কৰে আৰু ৰাষ্ট্ৰসংঘ আৰু বহুপক্ষীয় ক্ষেত্ৰত সহযোগিতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত সহমত পোষণ কৰে। দুয়োপক্ষই কভিড–19 মহামাৰীৰ ফলত দেখা দিয়া প্ৰত্যাহ্বানসমূহৰ ওপৰত আলোচনা কৰে আৰু ইয়া প্ৰভাৱ কম কৰাৰ উপায়সমূহ ওপৰত মত আদান প্ৰদান কৰে।

দুয়ো পক্ষই ভাৰত আৰু উজবেকিস্তানৰ মাজত বাণিজ্য, অৰ্থনীতি, বৈজ্ঞানিক আৰু প্ৰযুক্তিগত সহযোগিতাৰ ওপৰত 3 ডিচেম্বৰ, 2020 তাৰিখে ডি ভি চি ফৰমেটত অনুষ্ঠিত হবলগীয়া আন্তঃ–চৰকাৰী আয়ুক্তৰ আসন্ন অধিৱেশনখনক লৈ আশা প্ৰকাশ কৰে। তেওঁলোকে পাৰস্পৰিক সুবিধাজনক তাৰিখ এটাত বৈদেশিক দপ্তৰ পৰামৰ্শৰ পৰৱৰ্তী চক্ৰৰ আয়োজন কৰাৰ বাবে সহমত হয়।

**নতুন দিল্লী**
**নৱেম্বৰ 20, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release